**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 02-10-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::

১। সমগ্ৰ ৰাষ্ট্ৰই আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৭ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

২। প্ৰধানমন্ত্ৰীক প্ৰদান কৰা উপহাৰৰ ই-নিলামৰ অষ্টম সংস্কৰণ চলিত মাহৰ ৩১ তাৰিখলৈ বৃদ্ধি কৰা হৈছে।

৩। ভাৰতে যোগান শৃংখলৰ মাধ্যম হিচাপে সমগ্ৰ বিশ্বত বিশ্বাসযোগ্য সামগ্ৰী উৎপাদন আৰু ৰপ্তানী কৰাত সফল হৈছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। *আৰু*

৪। জাপানৰ আইচি নাগ'য়াত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতীয় মহিলা আৰ্চাৰী দলে আজি ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত সোণৰ পদক লাভ কৰে।

০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৭ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় ৰাজধানীত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধি ৰাজঘাটত আজি সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই সভাত অংশগ্ৰহণ কৰে আৰু জাতিৰ পিতা মহাত্মা গান্ধীলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লাল আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তায়ো ৰাজঘাটত মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰে।

দেশবাসীয়ে লগতে লাল বাহাদুৰ শাস্ত্ৰীৰ ১২২ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, জে পি নাড্ডা, কিৰেণ ৰিজিজু, অৰ্জুন ৰাম মেঘৱাল, জিতেন্দ্ৰ সিং আৰু এল মুৰুগনে আজি নতুন দিল্লীস্থিত সংবিধান সদনত মহাত্মা গান্ধী আৰু লাল বাহাদুৰ শাস্ত্ৰীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, কংগ্ৰেছৰ সভাপতি তথা ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, কেইবাগৰাকীও সাংসদ, সংসদৰ জ্যেষ্ঠ বিষয়া আৰু স্কুলীয়া শিক্ষাৰ্থীয়েও নেতা দুগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।

০০০০

মহাত্মা গান্ধীৰ জন্মবাৰ্ষিকী উপলক্ষে কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱ আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে আলিপুৰদুৱাৰৰ বক্সা বাঘ সংৰক্ষিত বনাঞ্চলত এটা বাঘ এৰি দিয়ে। এই উপলক্ষে ভাষণ দি শ্ৰীয়াদৱে কয় যে উত্তৰবংগৰ বন্যপ্ৰাণী আৰু বনাঞ্চলৰ সুৰক্ষা, সংৰক্ষণ আৰু প্ৰতিপালনৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শি নেতৃত্বত দেশত বাঘৰ সংখ্যা

পূৰ্বতকৈ বহু গুণে বৃদ্ধি পাইছে। একেটা অনুষ্ঠানতে পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে উত্তৰ বংগৰ বন্যপ্ৰাণী সুৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেঁও লগতে কয় যে উত্তৰ বংগৰ বিশাল প্ৰাকৃতিক সম্পদক অৰ্থনৈতিক শক্তিলৈ ৰূপান্তৰিত কৰা হব কাৰণ এই স্পদসমূহৰ বহনক্ষম উন্নয়নে ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় সকলো পৰ্যটকক আকৰ্ষণ কৰিব। তেওঁ বিহাৰৰ বাল্মিকী ব্যঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ পৰা সুস্থ বাঘ প্ৰদান কৰা বাবে বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীক ধন্যবাদ জ্ঞাপন কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ **স্বচ্ছতা হী সেৱা** অভিযানৰ অংশ হিচাপে কেৰালামত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰবৰ পৰিষদৰ নেতৃত্বত কোট্টায়ামত অনাময় অভিযান আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। আলাপ্পুজা বিল আৰু ইয়াৰ আশে পাশে থকা অঞ্চলসমূহত পৰিস্কাৰ পৰিচ্ছন্নতাৰ বাবে বিভিন্ন অভিযান চলোৱা হয় বুলিও আমাৰ সংবাদদাদাই জানিবলৈ দিছে। সামুদ্ৰিক সামগ্ৰী ৰপ্তানি উন্নয়ন কৰ্তৃপক্ষ, উপকূলীয় আৰক্ষী, আলাপ্পুজা পৌৰসভা আৰু স্থানীয় কেইবাটাও সংগঠনৰ সহযোগত আজিৰ এই কাৰ্যসূচী সম্পন্ন হয়।

০০০০

প্ৰধানমন্ত্ৰীক প্ৰদান কৰা উপহাৰৰ ই-নিলামৰ অষ্টম সংস্কৰণ চলিত মাহৰ ৩১ তাৰিখলৈ বৃদ্ধি কৰা হৈছে। সাংস্কৃতিক মন্ত্ৰালয়ে কৈছে যে এই সংস্কৰণত ৩০ টা ভিন্ন স্মৃতিচিহ্ন সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ ভিতৰত ৯ টা ফটো ফ্ৰেম, ৯ টা স্মৃতিসৌধ আৰু ছটা মূৰ্তি তথা ভাস্কৰ্য্য আছে। দিল্লী মেট্ৰোৰ ২ টা আৰ্হি, এটা ক্ৰীড়া স্মৃতিসৌধ, ধৰ্মীয় বস্তু, এখন চিত্ৰ, শিল্পকৰ্ম আৰু শিল্পকৰ্মৰ সামগ্ৰীকে ধৰি অন্যান্য সামগ্ৰীও সন্নিবিষ্ট আছে। মন্ত্ৰালয়ে জনোৱা মতে, ৰোহিনীৰ এজন ছাত্ৰৰ পৰা আৰম্ভ কৰি দিল্লী মেট্ৰো, বিধানসভা আৰু নতুন সংসদ ভৱনলৈকে এই স্মৃতিচিহ্ন সমূহে সমগ্ৰ দিল্লীৰ ঐতিহ্য বহন কৰিছে। এই নিলামৰ পৰা সংগ্ৰহ কৰা ধন নমামি গংগা প্ৰকল্পত ব্যৱহৃত হ'ব বুলি মন্তব্য কৰে।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিলৱাওকীত অনুষ্ঠিত জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ বাণিজ্য মন্ত্ৰীসকলৰ বৈঠকৰ অৱসৰত ফ্ৰান্স, কানাডা, চৌদি আৰৱ আৰু দক্ষিণ কোৰিয়াৰ বাণিজ্য মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকৰ সামৰণি অনুষ্ঠানত শ্ৰীগোৱেলে বিশ্ব ব্যৱসায়িক নীতিসমূহৰ সংশোধনৰ বাবে আহ্বান জনায়। তেওঁ কয় যে ভাৰতে যোগান শৃংখলৰ মাধ্যম হিচাপে সমগ্ৰ বিশ্বত বিশ্বাসযোগ্য সামগ্ৰী উৎপাদন আৰু ৰপ্তানী কৰাত সফল হৈছে।

ফ্ৰান্সৰ বাণিজ্য মন্ত্ৰী নিকোলাছ ফৰিছিয়েৰৰ সৈতে হোৱা বৈঠকত মন্ত্ৰী গোৱেলে দুয়োখন দেশৰ মাজত বাণিজ্য আৰু বিনিয়োগ চুক্তিৰ সম্প্ৰসাৰণৰ উপায়কে ধৰি ভাৰত-ইউৰোপীয়ন ইউনিয়ন বাণিজ্য চুক্তিৰ বিষয়ে আলোচনা কৰে। এই বৈঠকত মহাকাশ সহযোগিতা বিমান নিৰ্মাণ, ইউ পি আই সহযোগিতা আৰু যৌথ উদ্ভাৱন সন্দৰ্ভতো আলোচনা হয়। মন্ত্ৰী গোৱেলে কানাডাৰ আন্তৰ্জাতিক বাণিজ্য মন্ত্ৰী মনিন্দৰ সিদ্ধুৰ সৈতেও ফলপ্ৰসূ আলোচনাত মিলিত হয়। মন্ত্ৰী দুগৰাকীয়ে চলিত ইণ্ডিয়া-কানাডা বিস্তাৰিত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ পুনৰীক্ষণ কৰে আৰু আলোচনা অধিক আগবঢ়াই নিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নি চলিত বছৰৰ মাৰ্চত এই চুক্তিত উপনীত হৈছে। ইয়াৰ জৰিয়তে ২০৩০ চনৰ ভিতৰত দুয়োখন দেশৰ মাজত বাণিজ্য ৫০ বিলিয়ন আমেৰিকান ডলাৰলৈ বৃদ্ধিৰ লক্ষ্য লোৱা হয়।

চৌদি আৰৱৰ বাণিজ্য মন্ত্ৰী মাজিদ বিন অব্দুল্লা অল-কাচ্ছাবীৰ সৈতে হোৱা বৈঠকত শ্ৰীগোৱেলে ভাৰত-উপসাগৰীয় সহযোগিতা পৰিষদ মুক্ত বাণিজ্য চুক্তিৰ অগ্ৰগতি সন্দৰ্ভত কথা পাতে। তেওঁলোকে লগতে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগ চুক্তিক শক্তিশালী কৰি তোলা সন্দৰ্ভতো আলোচনা কৰে।

বাণিজ্য মন্ত্ৰী গোৱেলে দক্ষিণ কোৰিয়াৰ বাণিজ্য মন্ত্ৰী পাৰ্ক জুং-ছুঙকো সাক্ষাৎ কৰে। তেওঁলোকৰ আলোচনাত ভাৰত কোৰিয়া বিস্তাৰিত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ প্ৰস্তাৱিত সংশোধনে স্থান পায়। তেওঁলোকে ভাৰতীয় কৃষি, ঔষধ আৰু সামুদ্ৰিক উৎপাদনত উন্নত বজাৰ সন্দৰ্ভতো মত-বিনিময় কৰে। মন্ত্ৰী দুগৰাকীয়ে ভাৰতত কোৰিয়াৰ নিৰ্মাণ খণ্ডৰ বিনিয়োগৰ বৃদ্ধি সন্দৰ্ভতো আলোচনা কৰে।

০০০০

জাপানৰ আইচি নাগ'য়াত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতীয় এথলীটসকলৰ সুন্দৰ প্ৰদৰ্শনৰ ধাৰা অব্যাহত আছে। ভাৰতে আজি হকীত এটা, মল্লযুঁজত এটা, বক্সিঙত তিনিটা আৰু আৰ্চাৰীত এটা- মুঠ ছটা সোণৰ পদক লাভ কৰে।

ভাৰতীয় মহিলা হকী দলটোৱে ফাইনেলত চীনক ১-০ গ'লত পৰাস্ত কৰি সোণৰ পদক লাভ কৰে।

ভাৰতীয় মল্লযুঁজাৰু সুজিৎ কালকালে পুৰুষৰ ৬৫ কিলোগ্ৰাম ফ্ৰী ষ্টাইল ইভেণ্টত স্বৰ্ণ জয় কৰে। সুজিৎ কালকালে এই জয়েৰে যোগেশ্বৰ দত্ত আৰু বজৰংগ পুনিয়াৰ পাছত মল্লযুঁজত এছিয়ান গেমছত পুৰুষৰ ৬৫ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰা তৃতীয়জন ভাৰতীয় হিচাপে পৰিগণিত হৈছে।

বক্সিঙত পাৰবীন হুদাই মহিলাৰ ৬৫ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰিছে। অংকুশ পাংঘালে পুৰুষৰ ৮০ কিলোগ্ৰাম শাখাত দক্ষিণ কোৰিয়াৰ প্ৰতিদ্বন্দ্বীক হৰুৱাই সোণৰ পদক লাভ কৰে।

ইয়াৰ পূৰ্বে লাভলীনা বৰগোহাঁয়ে মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰে। লাভলীনাই ফাইনেলত চীনৰ বাও ঝিয়িক ৫-০ৰ ফলাফলত পৰাস্ত কৰে। ইয়াৰ লগে লগে লাভলীনা এছিয়ান গেমছৰ মহিলাৰ বক্সিঙত সোণৰ পদক অৰ্জন কৰা দ্বিতীয়গৰাকী ভাৰতীয় বক্সাৰ ৰূপে পৰিগণিত হয়। ইয়াৰ পূৰ্বে ২০১৪ চনত মেৰী কমে এছিয়ান গেমছত দেশৰ হকে সোণৰ পদক লাভ কৰিছিল।

একেদৰে, ভাৰতৰ মহিলা আৰ্চাৰী দলে আজি ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত সোণৰ পদক লাভ কৰে। অংকিতা ভকত, কীৰ্তি শৰ্মা আৰু কুমকুম মোহোড়ক লৈ গঠিত ভাৰতীয় দলটোৱে ফাইনেলত বিশ্ব চেম্পিয়ন তথা ১০ বাৰৰ অলিম্পিক চেম্পিয়ন দক্ষিণ কোৰিয়াক ৫-৩ৰ ফলাফলত পৰাভূত কৰে। এছিয়ান গেমছৰ ইতিহাসত মহিলাৰ ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত এয়া ভাৰতৰ প্ৰথমটো স্বৰ্ণপদক।

ভাৰতে আৰ্চাৰীৰ মিক্সড ৰিকাৰ্ভ শাখাতো ৰূপৰ পদক অৰ্জন কৰে। কুমকুম অনিল মোহোড় আৰু ধীৰাজ বোম্মাদেৱৰা আজি ফাইনেলত চীনৰ প্ৰতিদ্বন্দ্বিৰ বিৰুদ্ধে ৩-৫ৰ ফলাফলত পৰাজিত হয়। নাও চালনাত নেত্ৰা কুমাননে মহিলাৰ ডিঙা শিতানত ব্ৰঞ্জৰ পদক হস্তগত কৰে। ২৯ বছৰীয়া ভাৰতীয় খেলুৱৈগৰাকীয়ে এই শিতানত ১৪ পইণ্টেৰে সামগ্ৰীকভাৱে তৃতীয় স্থান লাভ কৰে।

ভাৰত এছিয়ান গেমছত এতিয়ালৈকে ১৬টা সোণ, ২৫টা ৰূপ আৰু ৩৫টা ব্ৰঞ্জ পদকসহ মুঠ ৭৬টা পদেকেৰে তালিকাৰ পঞ্চম স্থানলৈ উন্নীত হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত মহিলাৰ ৰিকাৰ্ভ শাখাত প্ৰথমবাৰৰ বাবে স্বৰ্ণপদক লাভ কৰা অংকিতা ভকত, কুমকুম অনিল মহোদ, আৰু কীৰ্তিক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে কয় যে ফাইনেলত ভাৰতীয় খেলুৱৈকেইগৰাকীৰ মানসিক স্থিতি আৰু নিখুত সিদ্ধান্ত সচাকৈয়ে লেখতলবলগীয়া। এই বিজয়ে দেশৰ অগণন ধনুৰ্বিদক অনুপ্ৰাণিত কৰিব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে এছিয়ান গেমছৰ ৰিকাৰ্ভ মিক্সড দলীয় শিতানত ৰূপৰ পদক লাভ কৰা ধীৰাজ বোম্মাদেৱৰা আৰু কুমকুম অনিল মহোদক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে খেলুৱৈ দুগৰাকীৰ দক্ষতা আৰু উদ্যম প্ৰদৰ্শনে দেশক প্ৰথমবাৰৰ বাবে ৰূপৰ পদক প্ৰদান কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ